**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-02-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

***HEADLINES***

**::::::::::::::::::**

১। লোকসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত পুনৰ আলোচনা আৰম্ভ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত সংসদৰ যুটীয়া বৈঠকক উদ্দেশ্যি দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাব সন্দৰ্ভত আলোচনাৰ উত্তৰ দিব।

৩। দিল্লীৰ ৭০ খন আসন বিশিষ্ট বিধানসভাৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব।

৪। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি পৰিব।

৫। ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকে আজি প্ৰয়াগৰাজত চলি থকা কুম্ভমেলাত ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান কৰে। ***আৰু***

৬। মুম্বাই অ'পেন টেনিছৰ মহিলাৰ ছিংগলছত ভাৰতৰ অংকিতা ৰাইনাই প্ৰী-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

লোকসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত পুনৰ আলোচনা আৰম্ভ হৈছে। আলোচনাত ভাগ লৈ সমাজবাদী পাৰ্টীৰ মুৰববী অখিলেখ যাদৱে কয়, যে দেশৰ অযুত সম্পদ আৰু অপাৰ সম্ভাৱনা থকা স্বত্বেও ইয়াৰ সদ্ব্যৱহাৰ হোৱা নাই। তেওঁ কয়, যে বৰ্তমান চৰকাৰে দেশৰ আধুনিক আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ দাবী কৰিছে যদিও চৰকাৰ জনসাধাৰণে বিচৰা অনুসৰি উন্নয়নত ব্যৰ্থ হৈছে। শ্ৰী যাদবে প্ৰয়াগৰাজৰ মহাকুম্ভৰ দুৰ্ঘটনাৰ কথা উল্লেখ কৰি উত্তৰ প্ৰদেশ চৰকাৰ প্ৰয়াগৰাজৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে বুলিও অভিযোগ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত সংসদৰ যুটীয়া বৈঠকক উদ্দেশ্যি দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাব সন্দৰ্ভত আলোচনাৰ উত্তৰ দিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এই কথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰীয়ে বিয়লি ৫ বজাত সদনত আলোচনাৰ উত্তৰ দিব। উল্লেখযোগ্য যে, লোকসভাত কালিৰে পৰা ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। শ্ৰী ৰিজিজুৱে এটা বাৰ্তাত কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি কয়, যে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ হকে

সঘনে কথা কোৱা বিৰোধী নেতাগৰাকী অন্যান্য পিছপৰা শ্ৰেণীৰে আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চিনাক্ত কৰাত ব্যৰ্থ হৈছে।

০০০০০০০

দিল্লীৰ ৭০ খন আসন বিশিষ্ট বিধানসভাৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব আৰু সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৬ লাখ ভোটদাতাই ৬৯৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। অহা শনিবাৰে এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নিৰ্বাচন আয়োগে দিল্লীৰ বিধানসভা নিৰ্বাচনৰ বাবে এক লাখ ৮০ হাজাৰৰো অধিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰিছে। ইফালে নিৰ্বাচনৰ পূৰ্বে ২০২ কোটি টকাৰো অধিক মূল্যৰ সুৰা, ড্ৰাগছ, গুৰুত্বপূৰ্ণ সামগ্ৰী আৰু নগদ ধন জব্দ কৰা হৈছে। ইয়াৰ ভিতৰত ৮৮ কোটি টকাৰ মাদক দ্ৰব্য আৰু ৮১ কোটি টকাৰ গুৰুত্বপূৰ্ণ সামগ্ৰী আছে।

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ইয়াৰ সৈতে জড়িত বিষয়াসকলৰ সুবিধাৰ্থে ভোটগ্ৰহণ আৰু ভোটগণনাৰ দিন কেইটাত পুৱা ৪ বজাৰ পৰাই দিল্লী মেট্ৰ' সেৱা আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থা সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকখনত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, গৃহ সচিব গোবিন্দ মোহন আৰু ইণ্টেলিজেন্স ব্যুৰ' আৰু ৰ'ৰ দৰে সংস্থাৰ মুৰববী তথা জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ বিজেপি চৰকাৰ কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ বাবে বদ্ধপৰিকৰ। লোকসভাৰ প্ৰশ্নকালত আজি এটা প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সামগ্ৰীৰ উৎপাদন ব্যয়ৰ তুলনাত ৫০ শতাংশ লাভ হোৱাকৈ চৰকাৰে ২০১৯ চনৰ পৰা ন্যূনতম সমৰ্থন মূল্য নিৰ্ধাৰণ কৰি আহিছে। ভাৰতত বৰ্তমান বিশ্বৰ ভিতৰতে সৰ্বাধিক নাৰিকল উৎপাদন হোৱাটো অতি গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি শ্ৰী চৌহানে কয়, যে নাৰিকল উৎপাদনৰ ক্ষেত্ৰত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

ইপিনে, ৰাজ্যসভাত আজি মহাকুম্ভৰ দুৰ্ঘটনা সন্দৰ্ভত আলোচনাৰ দাবি জনাই বিৰোধীপক্ষৰ কেইবাগৰাকী সদস্যই আগবঢ়োৱা সদন স্থগিতকৰণৰ প্ৰস্তাৱ উপসভাপতি হৰিবংশে খাৰিজ কৰে।

০০০০০০০

বেলজিয়ামত বাৰ্ট ডে ৱেভাৰে দেশখনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে। তেওঁ বেলজিয়ামৰ ৰজা ফিলিপৰ সন্মুখত কালি ৰাজভৱনত নতুন প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৫টা দলৰ এই মৰ্চা চৰকাৰে বাজেটৰ সংস্কাৰত গুৰুত্ব দিয়াৰ উপৰি অনুপ্ৰৱেশ ৰোধ আৰু অৰ্থনৈতিক পুনৰগঠনৰ নীতি নিৰ্ধাৰণত মনোনিৱেশ কৰিব। ৱেভাৰৰ ১৫ সদস্য বিশিষ্ট মন্ত্ৰীসভাত মাত্ৰ তিনিগৰাকীহে মহিলা মন্ত্ৰী আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেলজিয়ামৰ নতুন প্ৰধানমন্ত্ৰী বাৰ্ট ডে ৱেভাৰক আজি অভিনন্দন জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে ভাৰত-বেলজিয়ামৰ সম্পৰ্ক শক্তিশালী কৰাৰ লগতে বিভিন্ন পৰকীয় বিষয়ত সহযোগিতাৰে কাম কৰাৰ আশা প্ৰকাশ কৰে।

০০০০০০০

শ্ৰীলংকাই আজি ৭৭ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। কলম্বোৰ ইণ্ডিপেণ্ডেন্স স্কুৱেৰত এই দিৱসৰ চৰকাৰী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অন্যান্য চহৰসমূহতো এই দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ দিহা কৰা হৈছে। ৰাষ্ট্ৰৰ পুনৰুজ্জীৱিতকৰণৰ দিশে নতুন দৃষ্টিভংগীৰে দেশখনে ইয়াৰ নতুন চৰকাৰৰ অধীনত আজি ৭৭ সংখ্যক স্বাধীনতা দিৱস পালন কৰিছে। আৰক্ষীৰ মিডিয়াৰ মুখপাত্ৰ বুদ্ধিকা মানাটুংগাই কয়, যে এই দিৱস উদযাপনৰ বাবে এহাজাৰৰো অধিক আৰক্ষী বিষয়া নিয়োগ কৰা হৈছে। কলম্বোত আয়োজিত চৰকাৰী কাৰ্যসূচীত ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেই বিশেষ ভাষণ প্ৰদান কৰিব। ইয়াৰ লগতে সামৰিক কুচ-কাৱাজ আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি পৰিব। আজি অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে আকাশ শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলিৰ ভাগত নাট্য সন্মিলন আৰু অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠানৰ লগতে আজীৱন সভ্য সন্মিলনৰো আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে ৫৪ জন সাংবাদিকক নিষ্ঠাৱান সাংবাদিক বঁটা প্ৰদান কৰা হ'ব। সন্ধিয়াৰ ভাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাট বিধানসভাৰ সদস্য কাৰচনভাই চোলাংকিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰয়াত চোলাংকি তেওঁৰ সাধাৰণ জীৱন আৰু সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ প্ৰতি আগবঢ়োৱা কল্যাণমূলক সেৱাৰ বাবে সদায় স্মৰণীয় হৈ ৰ'ব। শ্ৰী মোদীয়ে মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমৱেদনা জ্ঞাপন কৰে।

০০০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকে আজি প্ৰয়াগৰাজত চলি থকা কুম্ভমেলাত ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান কৰে। তেওঁৰ সৈতে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও পৱিত্ৰ স্নান কৰে।

ভূটানৰ ৰজাগৰাকীয়ে অক্ষয়ভাট আৰু বৰে হনুমান মন্দিৰ দৰ্শন কৰিব। তেওঁ লগতে ডিজিটেল মহাকুম্ভ অভিজ্ঞতা কেন্দ্ৰও পৰিদৰ্শন কৰিব।

০০০০০০০

ভাৰতে ৰাষ্ট্ৰসংঘৰ চলিত বছৰৰ পুঁজি লৈ ৩৭ দশমিক ৬-৪ মিলিয়ন আমেৰিকান ডলাৰৰ বৰঙণি আগবঢ়াইছে। এই বৰঙণি যোৱা বছৰৰ ৩১ ডিচেম্বৰত জমা দিয়া হয়। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছৰ মুখপাত্ৰ ষ্টিফেন ডুজাৰিকে কালি এখন সংবাদমেলত ভাৰতৰ সময়ানুৱৰ্তী বৰঙণিৰ প্ৰশংসা কৰে।

০০০০০০০

যোৱা এক দশকৰো অধিক কালত মৃত্যু হোৱা ৪০০ পাকিস্তানবাসী হিন্দু আৰু শিখ লোকৰ চিতাভস্ম ভাৰতলৈ অনা হৈছে। আট্টাৰি-ৱাঘা যৌথ পহৰা চকীৰে অনা এই চিতাভস্ম হৰিদ্বাৰত গংগা নদীত বিসর্জন দিয়া হ'ব। এই চিতাভস্মখিনি গংগাত বিসর্জনৰ বাবে ২০১১ চনৰ পৰা পাকিস্তানৰ সংশ্লিষ্ট পৰিয়ালকেইটাই সংৰক্ষণ কৰি ৰাখিছিল। পাঞ্জাব আৰক্ষীৰ প্ৰটোকল বিষয়া অৰুণ মাহালে আমাৰ জলন্ধৰৰ সংবাদদাতাক জনোৱা অনুসৰি ৩৫০ গৰাকী হিন্দু আৰু ৫০ গৰাকী শিখ লোকৰ চিতাভস্ম পাকিস্তানৰ পৰা অনা হৈছে। এই চিতাভস্মখিনি কৰাচীত থকা পঞ্চমুখী হনুমান মন্দিৰৰ পুৰোহিত ৰামনাথ মহাৰাজে ভাৰতলৈ আনিছে।

০০০০০০০

মুম্বাইৰ ক্ৰিকেট ক্লাব অব্ ইণ্ডিয়াত অনুষ্ঠিত মুম্বাই অ'পেন টেনিছৰ মহিলাৰ ছিংগলছত ভাৰতৰ অংকিতা ৰাইনাই প্ৰী-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অংকিতাই বৈষ্ণৱী আদকাৰক ৰাউণ্ড অব থাৰ্টি টুত ৬-২, ৬-২ গেমত পৰাস্ত কৰে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলত কাইলৈ অংকিতাই কানাডাৰ ৰেবেকা মাৰিনোৰ বিৰুদ্ধে খেলিব।

০০০০০০০

ছিংগাপুৰত অনুষ্ঠিত ছিংগাপুৰ স্মেছ বিশ্ব টেবুল টেনিছ প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ মানুষ শ্বাহ আৰু দিয়া চিতালে- মেক্সিকোৰ মাৰ্ক'ছ মেড্ৰিড আৰু অৰান্ত্ছা কোছিঅ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

আনহাতে মহিলাৰ দ্বৈত শাখাত ভাৰতৰ অহিকা মুখাৰ্জী আৰু সুতিৰ্থা মুখাৰ্জী- থাইলেণ্ডৰ সুথাশিনী সাৱেট্টাবট আৰু ওৱাৱান পৰানাঙৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

অষ্ট্ৰেলিয়াৰ মিনহিউং জিৰ সৈতে যুটী বন্ধা ভাৰতৰ আন এগৰাকী খেলুৱৈ যশশ্বিনী ঘোড়পড়ে ছুইডেনৰ লিণ্ডা বৰ্গষ্ট্ৰ'ম আৰু ক্ৰিষ্টিনা কালবৰ্গৰ বিৰুদ্ধে ক'ৰ্টত নামিব। ইয়াৰ পূৰ্বে মহিলাৰ একক শাখাত ভাৰতৰ তাৰকা খেলুৱৈ শ্ৰীজা আকুলাই চীনৰ ঝুঅ'জিয়াৰ বিৰুদ্ধে ২-৩ৰ ব্যৱধানত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়। আনহাতে ভাৰতৰ মনিকা বাট্ৰাই ৰোমানিয়াৰ এলিজাবেতা সমাৰাৰ বিৰুদ্ধে ১-৩ৰ ব্যৱধানত আৰু যশশ্বিনী ঘোড়পড়েই জাপানৰ মিউৱা হাৰিমোতোৰ বিৰুদ্ধে ০-৩ৰ ফলাফলত পৰাস্ত হয়।

০০০০০০০

সমাপ্ত